بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**কিছুমান অভিযানৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা তথা দুজন মৰহুমিনৰ সদগতিৰ উল্লেখ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৬ মে ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আজিও অভিযানৰ কথা উল্লেখ কৰিম, ইয়াৰ পিছত বেলেগ বিষয়ে বৰ্ণনা কৰিম।

আবু কাতাদা আনছাৰী (ৰাঃ)ৰ অভিযানৰ উল্লেখ পোৱা যায়, যিটো খজৰাৰ ফালে হৈছিল। এই অভিযান শ্বাবান মাহৰ ৮ হিজৰী তাৰিখত সংঘটিত হৈছিল। ইয়াতে বনু গোতফানৰ এটা শাখা বসবাস কৰিছিল। নাজদ অঞ্চলৰ খজৰাত বসবাস কৰা বনু গোতফানৰ শাসকে মদিনাৰ বিৰুদ্ধে হিংসা বিয়পোৱাত লিপ্ত হৈছিল। এটা বৰ্ণনা অনুযায়ী চাহাবা সকলে এই অভিযানত পোন্ধৰ ৰাতি বাহিৰত অৱস্থান কৰে, আৰু দুশ উট, এহেজাৰ ছাগলী আৰু বহুতো মানুহক বন্দী কৰি লৈ আহিছিল।

আকৌ এটা অভিযান হজৰত আবু কাতাদা (ৰাঃ)ওৱাদিল ইজামৰ ফালে হৈছিল। ৰমজান মাহৰ ৮ হিজৰী তাৰিখত জানুৱাৰী ৬৩০ খ্ৰীষ্টাব্দত সংঘটিত হৈছিল। এই অভিযানৰ কাৰণ আছিল যেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে মক্কা বিজয় হোৱাৰ বাবে মক্কাৰ ফালে যাত্ৰাৰ ইচ্ছা কৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে হজৰত আবু কাতাদা (ৰাঃ)ক ওৱাদি ইজামৰ ফালে ৰাওনা

কৰে যিখন মদিনাৰ পৰা পশ্চিমফালে অৱস্থিত আছিল আৰু মক্কা আছিল দক্ষিণফালে; যাতে লোকসকলে এইটো বুজি পায় যে আঁহজৰত (ছাঃ)য়ে মক্কাৰ ফালে ৰাওনা হোৱা নাই বৰঞ্চ ইজামৰ ফালে ৰাওনা কৰিছে। এটা বৰ্ণনা অনুযায়ী এই অভিযানৰ আমিৰ হিচাপে হজৰত আব্দুল্লাহ বিন আবি হুদুদ (ৰাঃ) নিযুক্ত আছিল। হজৰত আব্দুল্লাহ বিন আবি হুদুদে বৰ্ণনা কৰিছে যে যেতিয়া আমি ইজাম অঞ্চলত গৈ পালো তাতে আমিৰ বিন আজবত শ্বুজায়ি আমাৰ কাযেদি পাৰ হয়। সি তেওঁৰ কাষ চাপি আহি তেওঁক ইছলামৰ পদ্ধতি অনুযায়ী ছালাম কৰে; যাৰ ফলত মুছলমান সকলে তেওঁৰ ওপৰত হাত উঠাবলৈ নিষেধ কৰিলে; কিন্তু হজৰত মহলম বিন জাছামা লায়ছি(ৰাঃ)ৰ আগৰে পৰাই তেওঁৰ সৈতে কিছু বিবাদ আছিল, সেই কাৰণে তেওঁ আমিৰ বিন আজবতৰ ওপৰত আক্ৰমণ চলাই তেওঁক হত্যা কৰি পেলায় তথা তেওঁৰ সা-সামগ্ৰী আৰু উট নিজৰ অধীন কৰি লয়। ইয়াৰ পিছত কোনো গোটৰ সৈতে চাহাবা (ৰাঃ)ৰ সৈতে সাক্ষাৎ হয়। তেওঁক কেৱল পৌত্তলিক সকলৰ লক্ষ্য বিচলিত কৰিববলৈ প্ৰেৰণ কৰা হৈছিল। সেই কাৰণে চাহাবা সকলে তাৰ পৰা ওভতি আহে। সেই সময়ছোৱাত তেওঁলোকে সংবাদ পায় যে ৰছুলে কৰিম (ছাঃ) মক্কাৰ ফালে ৰাওনা হৈছে, সেই কাৰণে এওলোকেও সেইফালে ঘূৰি যায় ইমানে যে বাটতে আঁহজৰত (ছাঃ)ৰ সৈতে সাক্ষাৎ হয়। যেতিয়া এওঁলোকে ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰলৈ আহে আৰু তেওঁৰ হত্যাৰ সমস্ত ঘটনা তেখেত (ছাঃ)ক শুনায়, তেতিয়া এই আয়াত অৱতীৰ্ণ হয় যে হে বিশ্বাস স্থাপন কৰা লোকসকল ! যেতিয়া তোমালোকে আল্লাহৰ বাটত যাত্ৰা কৰা তেতিয়া ভালদৰে তদন্ত কৰিবা আৰু যিয়ে তোমালোকক ছালাম জনায় তেওঁক এইটো নক’বা যে তুমি মোমিন নহয়। তোমালোকে পাৰ্থিৱ জগতৰ সম্পত্তিক বিচৰা, আল্লাহৰ ওচৰত সম্পত্তিৰ ভৰাল আছে। ইয়াৰ আগতে তোমালোকেও এনেকুৱাই আছিলা আল্লাই তোমালোকৰ ওপৰত অনুগ্ৰহ কৰিছে। গতিকে ভালদৰে তদন্ত কৰা। তোমালোকে যি কৰা আল্লাহ নিশ্চয় সেই বিষয়ে অৱগত।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, এই অভিযান ৮ হিজৰী তাৰিখত হৈছিল, কিন্তু এই আয়াত হৈছে ছুৰা নিছাৰ, ইয়াৰ বিষয়ে বেছিভাগৰ একমত এয়া যে এই আয়াত হিজৰতৰ তৃতীয় বা পঞ্চম বছৰৰ মাজ ভাগত অৱতীৰ্ণ হৈছিল। সম্ভৱত এই ঘটনাৰ বিষয়ে জনাৰ পিছত আঁহজৰত (ছাঃ)য়ে এই আয়াত পঢ়াৰ পিছত সেই কামটো অপছন্দ কৰিছিল।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, এতিয়া মই জামাতৰ এজন বয়োজ্যেষ্ঠ আৰু মহান বিদ্বান, খিলাফতৰ সৈতে দৃঢ় সম্পৰ্ক থকা, ধৰ্মৰ দৃষ্টান্তহীন সেৱকৰ কথা উল্লেখ কৰিম, যিজন বিগত দিনত মৃত্যু বৰণ কৰিছে। এইদৰে আৰু এজন জীৱন বিসৰ্জন দিয়া নিষ্ঠাবান আহমদী যিজন কাৰাগাৰত বন্দী আছিল তেওঁয়ো মৃত্যু বৰণ কৰিছে।

প্ৰথমজন ছৈয়েদ মীৰ মাহমুদ নাছিৰ চাহাব যিজন ছৈয়েদ মীৰ মহম্মদ ইছহাক চাহাব (ৰাঃ)ৰ

পুত্ৰ আছিল, তেওঁ ৯৬ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। তেওঁ হজৰত আম্মাজানৰ ভাতিজা, হজৰত মুচলেহ মাওউদ (ৰাঃ) আৰু হজৰত মৰিয়ম ছিদ্দিকা (ৰাঃ)ৰ জোঁৱাই আছিল। তেওঁ প্ৰাৰম্ভিক শিক্ষা কাদিয়ানৰ পৰা অৰ্জন কৰিছিল; ইয়াৰ পিছত পঞ্জাৱ বিশ্ববিদ্যালয়ৰ পৰা বি,এ ডিগ্ৰী অৰ্জন কৰে। ১৯৪৪ চনত তেওঁৰ পিতৃ ছৈয়দ মীৰ মহম্মদ ইছহাক চাহাবৰ মৃত্যুৰ দিনা তেওঁ জীৱন উচ্চৰ্গা কৰে; সেই সময়ত ছৈয়দ মাহমুদ আহমদ চাহাবৰ বয়স আছিল ১৪ বছৰ। জামাতৰ সেৱা এনেদৰে আগবঢ়াইছে, ১৯৫৪ চনৰ পৰা ১৯৫৭ চনলৈকে তেখেত ইংলিস্থানত সেৱা আগবঢ়াইছিল। তেওঁ মুবাল্লিগ হিচাপে কাম কৰিছে, সেই সময়ছোৱাত আন স্কুল আফ আৰু ইয়াণ্টন আফ্ৰিকান ষ্টুডিত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ নিৰ্দেশ মৰ্মে শিক্ষা অৰ্জন কৰিছে। তেওঁ হজৰত খলিফাতুল মছীহ চতুৰ্থ (ৰহঃ)ৰ সৈতে আছিল। ১৯৫৭ চনৰ পৰা ১৯৫৯ চনলৈকে উকালত দিৱানত মুবাল্লিগ হিচাপে সেৱা আগবঢ়াইছে। ইয়াৰ পিছত ১৯৬০ চনত জামিয়া আহমদীয়াৰ শিক্ষক হিচাপে নিযুক্ত হয়। ১৯৭৮ চনৰ পৰা ১৯৮২ চনলৈকে আমেৰিকাত মুবাল্লিগ হিচাপে সেৱা আগবঢ়ায়। ১৯৮২ চনৰ পৰা ১৯৮৬ চনলৈকে স্পেইনত সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছে। ১৯৮৬ চনৰ পৰা ১৯৮৯ চনলৈকে উকিলুল তাছনিফ হিচাপে কাম কৰে। ১৯৮৬ চনৰ পৰা ২০১০ চনলৈকে জামিয়া আহমদীয়া ৰাবৱাত অধ্যক্ষ হিচাপে সেৱা আগবঢ়ায়, সেই সময়ছোৱাত ১৯৯৪ চনৰ পৰা ২০০১ চনলৈকে উকিলুল তালিমো আছিল। এইদৰে ৰিছাৰ্জ ছেল আৰু ছলিব ছেলৰ ঘটনাৰ ইনচাৰ্জও আছিল। ২০০৫ চনত নুৰ ফাউণ্ডেচন প্ৰতিষ্ঠান স্থাপন হয়, তেতিয়া তেওঁ ইয়াৰ সভাপতি নিযুক্ত হয়, শেষ সময়লৈকে এই সেৱাতেই নিয়োজিত আছিল। মজলিছে ইফনাৰ সদস্যও আছিল। খুদ্দামুল আহমদীয়াত বিভিন্ন বিভাগত মুহতামিম আৰু উপ সভাপতিৰ সেৱা আগবঢ়োৱাৰ সৌভাগ্য লাভ কৰিছে। শৈক্ষিক ক্ষেত্ৰত তেওঁ কোৰআন কৰিমৰ অনুবাদৰ ক্ষেত্ৰত সহায় আগবঢ়াইছিল। ছিহাহ ছিত্তা আৰু মছনদ আহমদ বিন হাম্বলৰ উৰ্দু অনুবাদ কৰিছে, ছহীহ মুছলিম আৰু শ্বমাইলে তিৰমিজিৰ শ্বৰাহ তৈয়াৰ কৰিছে, বাইবেলৰ ওপৰত গৱেষণামূলক বিষয়াৱলী লিখিছে আৰু কফনে মছীহ, মৰহমে ঈছাৰ ওপৰত গৱেষণামূলক কাম কৰিছে। তেওঁৰ প্ৰকাশিত কিতাপৰ মাজত ছিৰাতুন নবীৰ তিনটা অংশ আৰু নামাজৰ পিছত দৰছৰ বাবে এখন নিৰ্বাচিত কিতাপ অন্তৰ্ভুক্ত। হজৰত খলিফাতুল মছীহ দ্বিতীয় (ৰাঃ)য়ে তেওঁৰ বিবাহ নিজৰ ছোৱালীৰ সৈতে পঢ়াইছে, আৰু হজৰত খলিফাতুল মছীহ তৃতীয় (ৰহঃ)য়ে তেওঁৰ ল'ৰাৰ বিবাহ পঢ়াইছে।

১৯৯০ চনত তেওঁৰ ওপৰত এটা গোচৰ ৰুজু হয় যিটো মজলিছে শ্বুৰাৰ প্ৰস্তাৱ উত্থাপন কৰাৰ ফলতে হৈছিল। ন্যায়াধীশে কয় যে আপুনি নিজৰ ভাষণত আঁহজৰত (ছাঃ) আৰু চাহাবা সকলক অপমান কৰিছে। ইয়াৰ ওপৰত তেওঁ কয় যে এইটো মোৰ ওপৰত অভিযোগ কৰা হৈছে এইটো একেবাৰে মিছা; মই নবী কৰিম (ছাঃ) আৰু চাহাবা সকলক আন্তৰিকভাৱে শ্ৰোদ্ধা

কৰো আৰু নবীৰ ওপৰত দৃঢ় বিশ্বাস ৰাখো। ন্যায়াধীশৰ সন্মুখত তেওঁ বৰ সাহসেৰে এইটো বৰ্ণনা কৰে। ধাৰ্মিক জ্ঞানৰ ক্ষেত্ৰত ইহুদী, খ্ৰীষ্টান আদিৰ বিষয়ে অধ্যয়ন কৰিছিল। মোৱাজনা মজাহিব (তুলনামূলক ধৰ্ম)ৰ বিষয়ে বিশেষ দক্ষতা ৰাখিছিল। সদায় এই কথাৰ উপদেশ দিছিল যে কোৰআন কৰিম, ৰছুলে কৰিম (ছাঃ)ৰ ছুন্নত, ছহীহ হাদীছ, হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফা সকলৰ ধৰ্মতত্ত্বৰ পৰা সদায় পথ নিৰ্দেশনা অৰ্জন কৰিবা।

মুবাশ্বিৰ আয়াজ চাহাবে লিখিছে যে মীৰ চাহাবে বৰ নিদোষী আৰু নিৰ্মল জীৱন-যাপন কৰিছে। বৰ নম্ৰ, ভদ্ৰ আৰু হাঁহি মুখৰ আৰু খোদাৰ ওপৰত নিৰ্ভৰশীলতাৰ এক মহান উদাহৰণ আছিল; তেওঁ আছিল জ্ঞান আৰু সততাৰ সাগৰ। মহান বিজ্ঞ আলিম আছিল, ধাৰাভাষ্যকাৰ আছিল, মুহাদ্দিছ আছিল। জামাতে আহমদীয়াৰ ইতিহাসত এইজন প্ৰথম সৌভাগ্যবান বিদ্বান আছিল যিয়ে কোৰআন কৰিমৰ অনুবাদৰ লগতে সম্পূৰ্ণ ছিহাহ ছিত্তাৰ অনুবাদ কৰাৰো সৌভাগ্য লাভ কৰিছে।

কাদিয়ানৰ মুবাল্লিগ তনবিৰ নাছিৰ চাহাবে কৈছে যে মোৰ এটা কথা সদায় মনত পৰে যে এদিনাখন মই কাদিয়ানৰ মছজিদ মোবাৰকত বহি আছিলো, মীৰ চাহাবে মছজিদৰ প্ৰথম শাৰীত ইফালে-সিফালে গৈ আছিল, মই তেওঁৰ মছজিদত ইফালে-সিফালে যোৱা আৰু দোৱা কৰাটো ভাল লাগিল। কিছু সময় পিছত মই সাহস কৰি আগবাঢ়ি গৈ সুধিলো যে আপুনি মছজিদৰ প্ৰথম শাৰীত ইফালে-সিফালে গৈ আছে এনে কৰাৰ কাৰণ কি ? তেওঁ কলে যে মই হজৰত মুচলেহ মাওউদ (ৰাঃ)ক এই ঠাইত এনে কৰাত দেখা পাইছিলো। মইয়ো তেখেতৰ দিশ-নিৰ্দেশ আৰু পথ অনুসৰণ কৰি আছো। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ সৈতে অদ্ভুত প্ৰেম আছিল।

অৰ্থাৎ খলিফাৰ এজন মহান সহায়ক আছিল, জীৱন বিসৰ্জন দিছিল, প্ৰতিটো শব্দৰ ওপৰত পৰিচালিত হৈছিল, সহানুভূতি আছিল। এনেকুৱা সহায়ক বহুত কমহে দেখা যায়, কৰ্মৰ ওপৰত পৰিচালিত বিদ্বান আছিল। মই এনেকুৱা কোনো দৃষ্টান্ত দেখা নাপাওঁ। আল্লাহৰ ভৰালত কোনো অভাৱ নাই। আল্লাহ তা'লা এনেকুৱা দৃষ্টান্ত আৰু সৃষ্টি কৰক আৰু এনেকুৱা সহানুভূতি আৰু নিষ্ঠাবান আৰু খোদাৰ পথত পৰিচালিত সহায়ক আল্লাহ তা'লাই খলিফাক দান কৰি থাকক।

দ্বিতীয় এজন আহমদী যাৰ নাম ডাক্তৰ তাহিৰ মাহমুদ আহমদ চাহাব ইবনে গুলাম ৰছুল চাহাব কৰাচী আছিল। তেওঁ বিগত দিনত কাৰাগাৰত মৃত্যু বৰণ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। মৰহুম তাহিৰ মাহমুদ চাহাব ছদৰ হালকা মালেৰ কালোনী কৰাচী লগতে আৰু দুজন মালেৰ কলোনী কৰাচীৰ সদস্যক আহমদী মছজিদ নিৰ্মাণ তথা তাতে নামাজে জুমা পঢ়াৰ বাবে গ্ৰেপ্তাৰ কৰা হৈছিল; আদালততে বিৰোধীৰ সমাগমে তেওঁলোকৰ ওপৰত আক্ৰমণ কৰি অত্যাচাৰৰ বলি বনায়, পুলিচ ষ্টেচনতো তেওঁলোকৰ ওপৰত অত্যাচাৰ কৰে। হজৰত মছীহ মাওউদ আৰু খলিফাসকলৰ ওপৰত অশ্লীল ভাষা প্ৰয়োগ কৰিবলৈ তেওঁলোকক বাধ্য কৰে।

কাৰাগাৰত দুই মাহ থাকে। মৃত্যুৰ কিছুদিন আগতে বৃক্ক ৰোগত আক্ৰান্ত হোৱাৰ বাবে শাৰীৰিক অৱস্থা বেয়া হয় আৰু চিকিৎসাধীন অৱস্থাতেই মৃত্যু বৰণ কৰে। হাস্তপাতালত তেওঁৰ হাতত হেণ্ডকাফ লগোৱা আছিল। কাৰাগাৰৰ কষ্ট সহ্য কৰিছে, সেই কাৰণে তেওঁ শ্বাহাদতৰ মৰ্যাদা লাভ কৰিছে। অচিয়তৰ অন্তৰ্ভুক্ত আছিল। সভাপতি, দাউৰাত ইলাল্লাহৰ সম্পাদক হিচাপে সেৱা আগবঢ়াইছিল। স্ত্ৰীৰ বাহিৰে এজনী কন্যা আৰু তিনিজন পুত্ৰ সন্তান এৰি থৈ গৈছে। ল'ৰাজন জামাতৰ মুবাল্লিগ। খোতবা ছানিয়াৰ আগতে হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে নামাজৰ পিছত তেওঁলোকৰ নামাজে জানাজা গায়েব পঢ়াম।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 16 MAY 2025**

## BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................

..........................................................................................................

..........................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB